কৰিছে। পালকাপ্য মুনিয়ে এপাল হাতী পোহা কথাটোৰে অষ্ট্ৰিক জাতিয়ে হাতী পোহাটোকে প্ৰতিপন্ন কৰে। দাক্ষিণাত্যতো হাতী পোহাৰ প্ৰমাণ আছে। বোধকৰোঁ অষ্ট্ৰিকসকলৰপৰা দ্ৰাবিড়-সকলে এই ৰীতি অনুসৰণ কৰে। গজ, মাতঙ্গ, হাতী আদি শব্দবোৰ অষ্ট্ৰিক ভাষাৰ। হাতী-চিকাৰ, হাতী-শিকোৱা, হাতী-চিকিৎসা আৰু হাতীক বাহন হিচাপে ব্যৱহাৰ কৰা অষ্ট্ৰিক জাতিৰেই ৰবঙণি। অসমীয়াৰ জাতি সংমিশ্ৰিত জাতি আৰু অসমীয়া সংস্কৃতি সংমিশ্ৰিত সংস্কৃতি। বহাগ বিহু অসমীয়া সংস্কৃতিৰ এটি সুন্দৰ প্ৰতীক। পঞ্জিকাৰ নতুন বছৰ আৰম্ভণিৰ বাবে এই উৎসৱ পালন কৰা হয় বুলি আজিকালি এটা ধাৰণা বদ্ধমূল হৈ পৰিছে যদিও মূলতে এই উৎসৱ আছিল প্ৰাকৃতিক নতুন বছৰৰহে। শক গণনা ভাৰতত প্ৰচলিত হোৱা দুহেজাৰ বছৰেই পূৰ হোৱা নাই, কিন্তু এই ৰতৰত এটা উৎসৱ আদিম কৃষিজীৱী মানুহে কেইবা হেজাৰো বছৰৰ আগৰপৰাই পালন কৰি আহিছিল। ভাৰতবৰ্ষলৈ মূল ছটা জাতিৰ প্ৰব্ৰজন হৈছিল, তাৰে দ্বিতীয় দলটো হ'ল প্ৰটো-অষ্ট্ৰলইড্। এওঁবিলাকক দাক্ষিণ বা নিষাদ বুলি কোৱা হৈছে। এওঁবিলাকৰ সংস্কৃতিকে অষ্ট্ৰিক-সংস্কৃতি আখ্যা দিয়া হৈছে। অষ্ট্ৰিক সংস্কৃতিয়ে একালত সমগ্ৰ ভাৰতবৰ্ষ চাটি পেলাইছিল। দ্ৰাবিড় আৰু আৰ্য্য-সকল নিষাদসকলৰ বহুত পিছতহে আহিছিল। ইয়াৰ আগতেই ভাৰতত কৃষি আৰু গ্ৰাম্য সভ্যতা প্ৰতিষ্ঠা কৰি নিষাদসকলে নিজা বৈশিষ্ট্য প্ৰতিপন্ন কৰিছিল।

বিহু-উৎসৱ কৃষি-উৎসৱ। ঘাইকৈ ধান খেতিৰ লগত বিহু উৎসৱৰ সম্পৰ্ক। বহাগ বিহুৰ সময়ত আহুধানবোৰ লহ্‌পহকৈ বাঢ়ি আহে আৰু শালিখেতিৰ আৰম্ভণি হয়। আৰ্য্যসকল ভাৰতত সোমোৱালৈকে দ মাটিৰ শালি খেতিৰ লগত চিনাকি হোৱা নাছিল। পশুপালনৰ আনুষঙ্গিক জীৱিকা হিচাপে গম-যৱৰ খেতিহে কৰিছিল। ঋক্‌বেদৰ ধান্য শব্দই ধানৰ বাহিৰে মাহ, তিল আদি শস্যকহে

বুজাইছিল। সেইবাবে নিষাদসকলেই মূলতে এই কৃষি উৎসৱৰ পাতনি তৰিছিল বুলি ভাবিবৰ থল আছে। কিন্তু সময়ৰ সোঁতত আৰু সংস্কৃতিৰ সংমিশ্ৰণত এই কৃষি-উৎসৱে আজিৰ ৰূপ লৈছে।

বহাগ বিহুৰ একান্ত পালনীয় অপৰিহাৰ্য্য বুলি প্ৰচলিত কিছুমান লোকাচাৰত অষ্ট্ৰিক সংস্কৃতিৰ গোন্ধ পোৱা যায়। বিহুত কাঠ-আলু খোৱাটো নিয়ম। বিশ্বাস, নেখালে গাহৰি হয়। এই আলু খেতি পোনতে আৰম্ভ কৰিছিল নিষাদসকলেই। গৰু-গা ধোৱাবলৈ লাও, বেঙেনা, কেৰেলা আৰু হালধি অপৰিহাৰ্য্য। এইবোৰ বস্তুৰ খেতি নিষাদসকলৰ মাজত প্ৰচলিত আছিল। এই শব্দবোৰেই অষ্ট্ৰিক মূলৰ। হালধি আৰু আঁৰৈ চাউল বাটি গা-ধোৱে। তামোল শব্দটো অষ্ট্ৰিক। নিষাদসকলে তামোলৰ খেতি কৰি তামোল খাইছিল। বিহুত থুৰীয়া-তামোল দি হিয়া দিয়া-দি কৰে। তামোল-পাণেৰে বিহু-জাননি দিয়ে। মাঘবিহুৰ উৰুকাৰ দিনা তামোল গছবোৰ খেৰেৰে বান্ধে।

কণী-যুঁজ বহাগ বিহুৰ এটি আমোদজনক অনুষ্ঠান। নিষাদ-সকলে কণীক পবিত্ৰ আৰু প্ৰজনন শক্তিৰ প্ৰতীক বুলি ভাবিছিল। এতিয়াও বেইৰ তলত কণী পোতা হয়। বহাগৰ বিহুত কণী যুঁজাই অষ্ট্ৰিকসকলে শস্যৰ উৎপাদিকা শক্তি কামনা কৰিছিল। তদুপৰি কণী-যুঁজ যৌন-মিলনৰো প্ৰতীক। উজনি অসমত কিছুমান দিনৰ আগলৈকে কণী-যুঁজ অতি প্ৰৱল আছিল।

সৰিয়হ খেতি আৰু সৰিয়হ তেলৰ ব্যৱহাৰ নিষাদসকলে জানিছিল। তেল-পিঠা বিহুত নহলেই নহয়। গা-গছত গাঁত খুলি কাঠৰ পাতেৰে তেলীশাল সাজিছিল। লাওপানী নিষাদসকলৰ প্ৰিয় পানীয়। বিহুত লাওপানীৰ প্ৰচুৰ ব্যৱহাৰ হয়। কপাহৰ খেতি আৰু সূতা-কটা প্ৰথা অষ্ট্ৰিকসকলৰ। অসমত তাঁতশালৰ প্ৰাচুৰ্য্যও অষ্ট্ৰিক সংস্কৃতিৰে প্ৰভাৱ। বিহুত চেনেহৰ বা শ্ৰদ্ধাৰ চিন স্বৰূপে বিহুৱান দিয়া হয়।

# বিহু—এটি সমীক্ষা

বিহু সংস্কৃতিৰ ভোগজৰা, ভোগমনৰ ভোগথলী আৰু ৰঙাইব ৰংচৰা। বিহুত আছে—ভোগৰ আনন্দ, তৃপ্তিৰ অৱসাদ, সৃষ্টিৰ গৌৰৱ আৰু দৃষ্টিৰ ৰোমান্স। বিহুৱে কয়—অতীতৰ ইতিহাস, বৰ্ত্তমানৰ বিৱৰ্ত্তন আৰু ভবিষ্যতৰ ভবিষ্যৎ-বাণী। বিহুৰ বুকুত বগাই বগাই জীয়াই আছে লোক-বিশ্বাস, লোক-নৃত্য, লোক-সঙ্গীত, লোকাচাৰ আৰু লোক-পৰম্পৰা; বিহুৱে সজাগ কৰে মানুহক, মানুহে সজাই তোলে বিহুক। বিহুত 'বিষুব'ৰ সম্বন্ধ আছে, 'বৈ-হু'ৰ প্ৰতিধ্বনি আছে, 'বিচু'ৰ ৰিং আছে, সকলো আছে। বিহুত মনৰ মুক্তি আছে; বনৰ বাতৰি আছে। বিহুত চেনেহ আছে, শ্ৰদ্ধা আছে, প্ৰেম আছে, পীবিতি আছে আৰু আছে বহল বুকুৰ সাগৰ-গভীৰ আন্তৰিকতা। সেয়েহে পৰ্ব্বতৰ গুহাৰপৰা কৃষ্টিৰ কঠীয়াতলী ধাননি পথাৰৰ দীঘলীয়া বঙিয়া (বঁকিয়া) বগাই বিহু আহিছিল, বিহু আহিছে আৰু বিহু আহিব।

বিহু ভোগমন ভোগৰামৰে ভোগথলী। বিহুৱে আনিছিল, বকুল বৰা ধানৰ আখৈ, সুৱাগমণিৰ সান্দহ, চিকণকলিৰ পিঠা, মাণিকী-মধুৰীৰ ভাত। ভোগৰামে বেৰাকাঁহী, বানকাঁহী, তিতা-ফুলীয়া বৰাৰ হাতীখুজীয়া বাটিৰে এবাটি চিৰা, পাটি বাটিৰে এবাটি বকনা ম'হৰ থমা দৈ, খুৰি বাটিৰে এবাটি পোৰা কুঁহিয়াৰৰ খামুচীয়া গুৰ, এআখি সোন্দা কল, একুৰি খোলা-চপৰীয়া পিঠা আৰু কিবা-কিবি বহুতো। পিচে আজি ভোগাইৰ বতৰা কি? আজি ভোগাইৰ নামহে ভোগাই খায় পানী কাহুদি। ভোগাইৰ ভোগথলীৰ আজি ভলি উদং, টেকেলি কাটি। আজি ভোগাইৰ

পেটত বনস্পতিৰ বৰঙণি অগ্নিমান্দ্য, ঘোলাকণীৰে উমনি দি জগোৱা বিলাতী পিঠা-কেকৰ অবাধ বিচৰণ আৰু প্ৰতিটো খোজতে ভেজাল খাদ্যৰ ভীষণ মূৰ্তি। তথাপি খেতিয়কৰ মনত এদিন এবেলালৈ হলেও ভোগৰ আনন্দই পাৰ ভাঙি যায়। থাওকতে পোৱা বস্তু কেইপদেৰেই বিহু পাতে।

বিহু ৰঙাইৰ ৰং-চৰা। 'আজি বিহু বিহু, কালি বিহু বিহু'কৈ বিহু আহে। ফাগুনৰ উকুণ্ডা বুকু ভেই থৈ চ'ত সোমায়। ভেবেলী লতা ফুলে, নাহৰ-ভগৰৰ গাত ৰগবৰ জোৱাৰ উঠে। তাৰ পিচত—

'উজাই আহিলে মাছে কি মগৰে
উজাই আহিলে শিহু ;
কাণতে ঢোলেটি মুখতে পেঁপাটি
পালেহি বহাগৰ বিহু।'

বিহুত 'নাচোতে নাচোতে বৈ গল জুকলি ঘাম'। 'অতি চেনেহৰ বহাগৰ বিহুটি হাততে মলঙি যায়'। ইপিনে—

'চালত মলঙিলে চালে দৈ কোমোৰা
টেকেলিত মলঙিলে গুড় ;
বহাগৰ বিহুতে গা মলঙিলে
শুনি বিনন্দীয়া সুৰ॥'

চ'ত মাহৰ ৰাতি-বিহুত নাছিল বাধা, নাছিল ব্যভিচাৰ। আছিল যৌৱনৰ বিচৰণ—স্বাভাৱিক মৰম-চেনেহ, প্ৰেম-প্ৰীতিৰ ডকা-বন্ধা ইতিহাস। গীতৰ মূৰ্চ্ছনাত, নৃত্যৰ লয়ত আৰু বাদ্যৰ সমলয়ত মানুহে পাহৰি গৈছিল সময়ৰ ব্যৱধান—

'এপৰ দুপৰ কৰি নিশা পাৰে হব
আমাৰ বিহুত আমনি নাই ;
ৰাতিৰ পৰে পৰে ফেঁচাই কুকলিয়াই
আমাৰ বিহু ভাঙোতা নাই।'

গোটেই চ'তৰ মাহ জুৰি হেপাহ পলুৱাই নাচিছিল, হিয়া উদিয়াই গাইছিল আৰু ভাগৰি ভাগৰি বজাইছিল। 'আজি কি উৰুকা, কালি কি গৰু-গা।' কৰি বিহু আহি বুকুত লাগেহি; ৰঙত উথলি উঠে হিয়া, মন, প্ৰাণ, সৰ্ব্বাঙ্গ।

বিহুৱে কয় অতীতৰ ইতিহাস। বৈজ্ঞানিক দৃষ্টিৰে ফহিয়াই ফহিয়াই বিহুৰ ঐতিহ্য বিচাৰ কৰিলে ইয়াৰ বুকুতে ওলায়, আদিম জন-জীৱনৰ চানেকী। মেজিৰ ৰঙা ৰঙা জুই-শিখাৰ পোহৰত জিলিকি উঠে মানুহৰ আদিম প্ৰয়োজনীয়তা। এসাজ খাই, হিয়া উদিয়াই নাচি নাচি নিজকে পাহৰি যোৱা এই দিনবোৰ, ধনবোৰ আৰু মানুহবোৰ। আহুধানৰ লখিমী ভঁৰাললৈ আনি আহিনৰ সংক্ৰান্তিৰ দিনা অন্তৰ উজাৰি আনন্দ কৰিছিল, ওৱাদানিকৈ খাইছিল, তুলসীৰ তলে তলে মৃগ পহু চৰে বুলি জোনৰ বুকুত তুলসীৰ সন্ধান পাই, তুলসী ৰুইছিল, চাকি লগাইছিল; বিহুৱে কয়, শস্য-গৰ্ভা পৃথিৱীত এদিন কোনো বস্তুৰেই অনাটন নাছিল আৰু নাছিল কঙাল, কঙালি আৰু হা-হুমুনিয়াহ। আদিম মানুহে ভাবিছিল নাচোনৰ গিৰিপণিত পৃথিৱী গৰ্ভ-সন্তৱা হয়, সঙ্গীতৰ মধুৰ সমলয়ত আহুধানবোৰে যৌৱন পায়, লহপহকৈ গজি উঠে। গোটেই চ'ত মাহ আৰু বহাগৰ সাদিনলৈকে সেয়েহে ডেকা-গাভৰুৱে গীত-নৃত্য-বাদ্যৰ সমলয়ত আই বসুমতীক শস্য-সন্তৱা কৰি তোলে যৌৱনৰ পৰশ দি। অতীতৰ বিহু আহি বৰ্ত্তমানত ভৰি দিলেহি। সেই স্বতস্ফূৰ্ত আনন্দ, আশা আৰু প্ৰকাশৰ মুক্তি আজি আৰু নাই। চ'তৰ মাহ সোমালে ডেকা-গাভৰুৰ মন বাইজাই নকৰে। উজুটিত যঁতৰ ভাঙি বিহুতলীলৈ ঢাপলি মেলা বতৰ আহিলেও অনুভৱ কৰিবলৈ আজৰি নাই। আজিৰ বিহু গতানুগতিক, আনন্দ প্ৰকাশৰ প্ৰচেষ্টাও আনুষ্ঠানিক। ঢাপত ভেবেলি লতা, হাবিত কেতেকী, পদুলিত নাহৰ ফুলি মলমলাই থাকিলেও

বিহুৰ কথা ভাবি কাৰো মন উৰি যাওঁ, পুৰি যাওঁ নকৰে। আজিৰ গাভৰুৱে গগণাৰ মৌ-সনা মাত শুনি বিহুতলীলৈ ঢাপলি মেলিব নোৱাৰে, অশ্লীলতাৰ ভেকেটা-ভেকেট গোন্ধে আটাই-বোৰকে নাকত সোপা দিবলৈ বাধ্য কৰিব। 'ক্লাব' নামৰ সভ্যতাৰ ভূ-স্বৰ্গলৈ যোৱাৰ অধিকাৰ আধুনিকতাই লাভ কৰিছে, ব্যভিচাৰৰ বেহা পাতিবলৈকো স্বাধীনতা পাইছে, নাচিবলৈকো লগৰী পাইছে, কিন্তু বিহু বুলিলে সেইবাবেই নাক কোচায়, বিহুৰ নামকে শুনিব নোখোজে। এতিয়া নগৰত বিহু মিউজিয়ামৰ সম্পদ, গাৱঁত গতানুগতিক, ক'তো আন্তৰিকতা নাই। ইয়াকে চাই বিহুৰ ভবিষ্যত কি হব পাৰে ?

বিহুত চেনেহ আছে, শ্ৰদ্ধা আছে, পীৰিতি আছে। এদিন চেনেহৰ চিন স্বৰূপে বিহুৱান দিছিল। সেই বিহুৱানত আছিল ত্যাগ, আন্তৰিকতা আৰু অকুণ্ঠ প্ৰতিদান ঃ

'ৰাতি ছুপৰলৈ 		কাটি সূতলাহী
ধনলৈ বিহুৱান বলোঁ ;
ৰঙাকৈ আঁচুৰে 		বাছি পানে কটা
টিপচে লুকুৱাই থলোঁ।'

এদিন ফাগুণৰ উৰুঙা দিনবোৰে লৈ আহিছিল বসন্তৰ বিপুল সম্ভাৰ ; প্ৰকৃতিৰ বুকুৰেদি চঞ্চলতা বাগৰি গৈছিল। তাৰে ছিটিকনি উফৰি আহি মানুহৰ বুকুতো থুন্দিয়াইছিলহি। বিহুৰ বতৰ আছিল যৌৱনৰ বতৰ। বিহুৰ আনন্দ আছিল মিলনৰ আনন্দ, বিহুৰ পৰিবেশ আছিল পীৰিতিৰ পৰিবেশ। সেয়েহে এদিন বিহু আহিলেই পীৰিতিৰ পলসত গজি উঠা সেউজীয়া মৰম-চেনেহবোৰ লহ্‌পহকৈ বাঢ়িছিল। গাত পিৰ্‌পিৰণি উঠিছিল, বুকু হম্‌হমাইছিল, টন্‌টনাইছিল। সেইবোৰ কথা বিহুনামবোৰে সামৰি থৈছিল আৰু আজিও বিহুনামে সেই সত্য প্ৰকাশ কৰে। তাকৰীয়া ছুটিমান শব্দই আবেগৰ হেঁচাত ভাগৰি পৰা হিয়াৰ সন্ধান দিয়ে।

'উৰণীয়া চৰায়ে পীৰিতি কৰিলে
তাৰো মান নহলো আমি।

* * *

'এমাহৰ বাটলৈ যদি মনত পৰে
দেহা পুৰি মাৰে মোৰ।'

* * *

'চনক চনককৈ ভাগে বুকুখনি
যেন বিৰিখৰে ডাল।'

* * *

'তোমাৰে আমাৰে পীৰিতি লাগিলে
চকুৰে চকুৰে চাই।'

* * *

'হাতী পানী খালে হোৰাঙে দৈয়াঙে
ঘোঁৰাই পানী খালে বৈ;
ধনে পানী খালে পীৰিতি নিজৰাত
থিয় গৰাত খোপনি লৈ।'

তেতিয়াৰ পীৰিতিত আছিল সংস্কৃতিৰ সন্মান, অন্তৰৰ একাগ্ৰতা, জীৱনক নিবিড়ভাবে ওচৰ চপাই লোৱাৰ তীব্ৰ আকাঙ্ক্ষা। আজিৰ পীৰিতিত আছে ভুৱা আভিজাত্যৰ অন্ধ উচ্চাশ্বিকা, ধনৰ হিচাপ, মনৰ অৱমাননা আৰু বিক্ষিপ্ত প্ৰেমৰ নীৰস কঙ্কাল। আজিৰ পীৰিতি চেনেহৰ 'ফছিল' বালিৰ খোজ, সত্যৰ অপলাপ আৰু আত্মগোপনকাৰীৰ নিভৃত নিবাস আৰু পলাতকৰ ক্ৰীড়াভূমি। তাহানিৰ পীৰিতি আজি আৰু একো নাই।

বিহুৰ পৰশত সাৰ পাই উঠে অসমৰ প্ৰকৃতি, নৈ, নিজৰা, পৰ্ব্বত-পাষাণ, চৰাই-চিৰিকতি, উলু-বিৰিণা, চাপৰি-কাষৰি। বিহু আহিলে আজিও বিহুৱতী চৰায়ে আগলি বোলন দিয়ে; লুইতৰ বালি বগী চকেচকি হৈ জিলিকে; পাখিত পাখি লগাই চৰাই

উৰে, তাৰ ছাঁ পৃথিবীত পৰে ; কাৰোবাৰ বাৰীত ইন্দ্ৰজিত মালতী ফুলে, কাৰোবাৰ বাৰীত ছাঁ পৰে, কমোৱা তুলা উৰে, তাকে দেখি কাৰোবাৰ ঘৰতো নবহে, পথাৰতো নবহে মন। কণুৱা, ডাউক-ডাউকী, চাকৈ-চকোৱা, বগাকৈ বগলী, দিহিং, দিচাং, দিখৌ, ভোগদৈ, জাঁজী, চটাই পৰেবত, চিৰী লুইত, আটায়ে বিহুৰ বতৰত আত্মীয়তা অনুভৱ কৰে। সেয়েহে মানুহৰ মনত কেনা লাগিলেও প্ৰকৃতিয়েই বিহুক আদৰণি জনাইছে, চিৰদিন জনাব।

# বিহু আৰু বিহুৰ ক্ৰমবিকাশ

গছৰ খোৰোং, পৰ্ব্বতৰ গুহাত বাস কৰা আদিম মানুহে কেঁচা মঙহৰ জুতি-বুধি এৰি যিদিনাই উৰ্ব্বৰা পৃথিবীৰ বুকু আঁচুৰি ধানৰ বনৰীয়া সঁচ আনি সিঁচি পেটৰ মুঠিৰ দিহা কৰিবলৈ শিকিলে, সিদিনাই মানুহৰ মূৰতো কৃষ্টিৰ কঠীয়া গজিল। যুগ আগবাঢ়ি অহাৰ লগে লগে কৃষ্টিৰ কঠীয়া লহপহকৈ বাঢ়ি সংস্কৃতিৰ সোণাতলী পথাৰত সোণসেৰীয়া হৈ জিলিকি উঠিল। মানুহৰ কৃষ্টিৰ বুৰঞ্জী, মানুহৰ সভ্যতাৰ বুৰঞ্জীয়েই বিহুৰো বুৰঞ্জী। আদিম মানুহৰ আদিম বনৰীয়া মনটোৰ অন্তৰালতেই বিহুৰ বীজগুটি পোত খাই আছিল। সময়ত সাৰ পানী পাই বিহুৰ গজালি গজি লহপহকৈ বাঢ়ি আহিল। গাইগুটীয়া হৈ বাস কৰা আদিম মানুহবোৰে যেতিয়া সমাজ পাতি বাস কৰিবলৈ শিকিলে তেতিয়াই বিহুৱে এটা নতুন ৰূপত দেখা দিয়ে।

আজিৰ পণ্ডিতে বিহু শব্দৰ লগত 'বিষুৱ'ৰ সম্বন্ধ বিচাৰি পালেও, যি সময়ত জ্যোতিষৰ চৰ্চা নাছিল, মাহ বছৰৰ হিচাপ নাছিল, তেতিয়াও এই উৎসৱ পাতিছিল। বিহু শব্দটো নতুন হলেও উৎসৱটো অতি পুৰণি। বিহু মানে আজিকালি এটা নিৰ্দ্ধাৰিত দিন। সেই দিনটোও আনুষ্ঠানিক ভাবে কিবা-কিবি অলপ কৰিব লাগে, ইয়াকে মাত্ৰ আমি বুজোঁ; কিন্তু বিহু শব্দৰ মূলগত অৰ্থ আনন্দ। সেই আনন্দ প্ৰকাশ কৰোতে মাত্ৰ সময়ৰ সোঁত, ধৰ্ম্মৰ প্ৰভাৱ, অৰ্থনৈতিক অৱস্থা আদিয়ে কিছুমান আনুষঙ্গিক অনুষ্ঠান সৃষ্টি কৰিলে। আমি আজিকালি সেই আনুষঙ্গিক অনুষ্ঠানৰ সমূহীয়া ৰূপটোকে বিহু বুলি আখ্যা দিওঁ;

কিন্তু মূল আনন্দটো কলৈ গ'ল কব নোৱাৰোঁ। দৰাচলতে আদিম মানুহৰ সমূহীয়া আনন্দ প্ৰকাশৰ উৎসৱটোৱেই বিহু উৎসৱ। গছৰ খোৰোং, পৰ্ব্বতৰ গুহাত বাস কৰোঁতে মানুহৰ আনন্দ আছিল দিনেকীয়া। জীৱিকাৰ যোগাৰেই আছিল আনন্দৰ উৎস। যিদিনাই বনৰীয়া জন্তু একোটা বধ কৰিব পাৰিছিল, সেইদিনাই আনন্দৰ আতিশয্য বৃদ্ধি পাইছিল। যেতিয়াৰে পৰা মানুহ কৃষিজীৱী হ'ল, তেতিয়াৰে পৰা আনন্দ প্ৰকাশৰ সময় সীমাবদ্ধতাৰ মাজলৈ আহিল। গভীৰ আশাৰে উদ্ভাসিত হৈ খেতিলৈ নামোতে, শাওণৰ বৰষুণ, জেঠৰ ৰ'দ মূৰত লৈ কৰা হাড়ভগা পৰিশ্ৰমৰ অন্তত, ভাগৰ অৱসাদ জাৰি-জোকাৰি পেলাবলৈ অৱকাশ পাওঁতে আৰু আশাৰ লখিমী শইচ মুঠি চপাই আনি ভঁৰাল ভৰাওঁতে মানুহে সমূহীয়াভাৱে আনন্দ প্ৰকাশ কৰিবলৈ সুযোগ উলিয়াই ললে। লাহে লাহে সিয়ে ৰীতিত পৰিণত হ'ল। কালক্ৰমত সিয়েই 'বিহু' আখ্যাৰে আখ্যায়িত হ'ল।

'বিহু' শব্দটো আজিকালি আমি মুকলিকৈ ব্যৱহাৰ কৰোঁ। আচল কৃষিজীৱী সমাজৰ লগত সম্পৰ্ক নথকা কুবি শতিকাৰ শিক্ষাৰ চকাচন্দা পোহৰত কুকুৰিকণা হোৱা এশ্ৰেণী মানুহৰ হাতত এই লোক-সংস্কৃতিৰ আলোচনাৰ ভাৰ পৰাত আমি বহুতো সময়ত মূলৰ পৰা আঁতৰি গৈ চালে-বেৰে কোবাই ফুৰিছোঁ। বিহু আমি তিনিটা বুলি কওঁ; কিন্তু বিহু আৰু সংক্ৰান্তি দুয়োটা বেলেগ। নামনি অসমৰ গাৱঁত আজিকালিও মাঘবিহুক 'সংক্ৰান্তি' বুলি কয় আৰু উজনি অসমৰ গাৱঁত এতিয়াও কাতিবিহুক 'সংক্ৰান্তি' বুলি কয়; কিন্তু বহাগৰ বিহুক কোনোৱে বঙালী পঞ্জিকা চাই 'চৈত্ৰ সংক্ৰান্তি' বুলিলেও ই উজনি নামনি উভয়তে 'বিহু' নামেৰেহে জনাজাত। বহাগ-বিহু সঁচাকৈয়ে ৰং-আনন্দৰ বিহু। বিহু তিনিটাক কঙালী, ভোগালী আৰু ৰঙালী নামেৰে অভিহিত কৰাটো সৌ সিদিনাৰ কথা। বিহু সম্পৰ্কীয় ৰচনা থনচেৰেক

পাঠ্যপুথিৰ অন্তৰ্গত হোৱাত বিহু সম্পৰ্কে ঠেকহীন কথা কিছুমান ইতিমধ্যে প্ৰচাৰিত হৈ পৰিছে।

বিহু শব্দটোৰ উৎপত্তি সম্পৰ্কে এতিয়ালৈকে সৰ্ব্বসম্মত কোনো সূত্ৰ ওলোৱা নাই। তথাপি তিনিটা যুক্তি এতিয়ালৈকে শুনা যায়। জনপ্ৰিয়ভাবে 'বিষুব' শব্দৰ পৰাই 'বিহু' বা বিহুশব্দৰ উৎপত্তি বুলি জনা যায়। শ্ৰীশঙ্কৰদেৱৰ কীৰ্ত্তনৰ 'উৰেষা বৰ্ণন'ত 'বিষুদিনা বিধিৱতে পঞ্চতীৰ্থ কৰি, শুদ্ধমনে দেখয় সুভদ্ৰা ৰাম হৰি বুলি যিমানদূৰ সম্ভৱ এই বিহুৰ দিনটোকেই বুজাইছে বুলি বহুতে কয়। প্ৰত্নতাত্ত্বিক শ্ৰীৰাজমোহন নাথে অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ (তিনিচুকীয়া) অভিভাষণত বিহু শব্দৰ আঁতিগুৰি বিচাৰি এই বুলি লিখিছিল—'সামবেদত গানক দুই ভাগত ভগোৱা হৈছে। এবিধৰ নাম হ'ল—"গ্ৰাম্য-গেয়গীত বা 'প্ৰকৃতি গীত' বা 'বেয়গীত'। এই গীত গাওঁতীয়া মানুহে খেতি-পথাৰ সংক্ৰান্ত প্ৰকৃতিৰ গীত বুলি গায়। ইয়াত সৃষ্টিৰ উপাদান বীজ (ৱ) সিঁচৰিত হৈএ চাঞ্চল্যযুক্ত (য়) হোৱাৰ ভাব প্ৰকাশ কৰা হয়। মানুহৰ বেলিকা শুক্ৰক্ষেপণৰ চাঞ্চল্য ভাব প্ৰকাশ পোৱা বিষয়ৰ গীত। এই 'বেয়া' শব্দটোৰ আন ৰূপ হ'ল সৃষ্টিৰ উপাদান বীজ (ৱ) গতিযুক্ত (ই) হৈ প্ৰসৰিত (স) হোৱাৰ উপক্ৰম (উ) হৈছে। অৰ্থাৎ ইয়াৰ নাম—বিসু বা বিহু।" তৃতীয়টো যুক্তি হ'ল—বিহু কৃষিজীৱী অষ্ট্ৰিক আৰু মঙ্গোলীয় সকলৰ কৃষিৰ লগত সম্পৰ্ক জড়িত উৎসৱ। পিচত এই উৎসৱৰ লগত আৰ্য্য সংস্কৃতিৰ প্ৰভাৱো পৰে। অষ্ট্ৰিকসকলৰ পিচত বড়ো, চুতীয়া, ৰবাহী, মৰাণ আদিৰ পূৰ্ব-পুৰুষ কিৰাত, মঙ্গোলীয়সকলৰ এটা ঠাল সম্ভৱতঃ খৃষ্টপূৰ্ব ৩০০০-২০০০ ভিতৰত অসম সোমায়হি। তেওঁবিলাক এই বিহু উৎসৱ কৃষিৰ লগত সম্পৰ্ক ৰাখি পালন কৰিছিল। কিন্তু ইতিমধ্যে বৈদিক সংস্কৃতিৰ প্ৰভাৱ পৰাত এই উৎসৱৰ মাজত আন কিছুমান আনুষঙ্গিক অনুষ্ঠানৰ পাতনি আৰম্ভ

হয়। হিন্দু শাস্ত্ৰমতে গৰু পৱিত্ৰ জন্তু। সেই বুলিয়েই হওক বা কৃষিৰ বাবে নিতান্তই আৱশ্যকীয় সঁজুলি বুলিয়েই হওক, প্ৰাচীন কামৰূপত বাস কৰিবলৈ অহা মঙ্গোলীয়সকলে বহাগ বিহুৰ সময়ত গা-পা ধুৱাই, নতুন পঘা দি, পূজা-পাতল কৰি গৰুক সন্মান দেখুৱাবলৈ ধৰে। দক্ষিণ-পূৱ এচিয়াত বাস কৰা আন মঙ্গোলীয় গোষ্ঠীৰ মানুহসকলে বসন্ত কালত এই উৎসৱ আজিও পালন কৰে। এওঁবিলাকে এই উৎসৱক 'পয়-চাম্-নাম' বোলে। ইয়াৰ অৰ্থ পাঁচ মাহৰ মূৰত পানীৰে নোৱাই ধুৱাই পতা উৎসৱ। আইজেপী শক গণনামতে আঘোণৰ পৰা বছৰ আৰম্ভ হয়। কিন্তু ত্ৰয়োদশ শতিকাত পাটকাই পাৰ হৈ অহা মঙ্গোলীয়সকলৰ আন এটা ঠাল টাইসকলে লুইতৰ পাৰলৈ আহি দেখিলেহি যে ইয়াত এই উৎসৱৰ সময়ত গৰুক গা ধুৱায় বা পূজা কৰে। গতিকে তেওঁলোকে উৎসৱৰ নাম দিলে 'বৈহু'। টাই ভাষাত 'বৈ' মানে পূজা বা উপাসনা আৰু 'হু' মানে গৰু। 'বৈহু' কালক্ৰমত বিহুলৈ ৰূপান্তৰিত হ'ল। তদুপৰি 'গৰু বিহু' এই উৎসৱৰ প্ৰধান অনুষ্ঠান।

বিষুৱ বা বিষুবন শব্দৰ পৰা আৰু সামবেদৰ 'বেয়' শব্দৰ লগত অৰ্থজড়িত 'বিসু' শব্দৰ পৰা বিহু শব্দৰ উৎপত্তি হোৱা হলে আমি বিহু আজি সৰ্বভাৰতীয় ৰূপত দেখিবলৈ পালোঁহেঁতেন। আৰ্য্যভাষা সংস্কৃতৰ পৰা উদ্ভূত এই দুই শব্দৰ অস্তিত্ব অনাৰ্য্য প্ৰভাৱপূৰ্ণ কেৱল অসমৰ এচুকত জীয়াই থকাটো এটা ব্যতিক্ৰমহে যেন লাগে। কৃষিজীৱী অষ্ট্ৰিক আৰু মঙ্গোলীয়সকলেহে বিহু উৎসৱৰ স্বাভাৱিক আনন্দখিনিৰ জন্মদাতা, বাকী ধৰ্ম নৈতিক আচাৰ-ব্যৱহাৰবোৰ পিচতহে আহিছে। পোনপ্ৰথম চ'ত বহাগৰ সন্ধিক্ষণত বসন্তকালৰ পূৰ্ণপয়োভৰৰ মাজত স্বতস্ফূৰ্ত্ত আনন্দৰ হেন্দোলনিত যি উৎসৱ হৈছিল আৰু যি উৎসৱৰ এক প্ৰধান অনুষ্ঠান আছিল 'বৈহু' অৰ্থাৎ গৰু পূজা তাকেহে পোনতে বিহু

বোলা হৈছিল। পিচলৈ আঘোণ—পুহৰ শেষত যি উৎসৱ হয় তাতো আনন্দৰ সৃষ্টি হয় বাবে মানুহে বিহু বুলিবলৈ ধৰে। যেতিয়া জ্যোতিষৰ গণনাই নক্ষত্ৰ আৰু সূৰ্য্যৰ সম্পৰ্ক বিচাৰি উলিয়াই বাৰটা মাহৰ নাম দিলে, তেতিয়াৰে পৰা নিৰ্দ্ধাৰিত দিনত এই উৎসৱ হবলৈ ধৰিলে আৰু মাহৰ নাম অনুসৰি বিহুবো নাম হ'ল। ভাৰতবৰ্ষৰ আন আন ঠাইত বিহু উৎসৱ পালন নকৰাৰ পৰাই এইটো সহজে অনুমান কৰিব পাৰি যে বিহু সংস্কৃতিলৈ বৈদিক আৰ্য্য-সংস্কৃতিৰ বৰঙণি বৰ বেছি নহয়। আনপিনে অষ্ট্ৰিক, তিব্বতো-বৰ্মান গোষ্ঠীয় বড়ো-চুতীয়া আদি মঙ্গোলীয়সকলে আৰু টাইসকলৰ সংমিশ্ৰণত আৰু একে কৃষিমূলক জীৱনযাত্ৰা পদ্ধতিৰ মিলনত অসমৰ ভিতৰতে এটা স্বকীয় ৰূপ লৈ বিহু উৎসৱে অসমত স্বকীয়া বৈশিষ্ট্য ৰক্ষা কৰি জীয়াই থাকিল।

বিহু আৰু কৃষি ওতঃপ্ৰোতভাৱে জড়িত। জ্যোতিষৰ গণনা আৰু পঞ্জিকাৰ লেখ বহু যুগৰ পিচৰ কথা। আদিম কৃষিজীৱী সমাজৰ আশা-আকাঙ্ক্ষাৰ লগে লগেই বিহু উৎসৱৰো সৃষ্টি। খেতিৰ আৰম্ভণিৰ আগতে ৰং-ধেমালি কৰি খেতিত নামে। পৃথিৱীৰ আটাইবোৰ কৃষিজীৱী, বিশেষকৈ মৌচুমী অঞ্চলৰ জাতি-সমূহে বসন্তকালত নৃত্যগীতেৰে মুখৰিত আনন্দ উৎসৱৰ আয়োজন কৰে। অসমত, বিশেষকৈ উজনি অসমত প্ৰচলিত নীতি-নিয়মবোৰ আৰু বিহুৰ আনুষঙ্গিক অনুষ্ঠান আদি দক্ষিণ-পূৱ এছিয়াৰ টাই-জাতীয় আৰু মঙ্গোলীয় লোকসকলে বাস কৰা অঞ্চলৰ লগত সাদৃশ্য আছে। বিহুৰ দিনা সৰুৱে ডাঙৰক সেৱা সৎকাৰ কৰা, বিহুৱান হিচাপে নতুন কাপোৰ গামোচা আদি দিয়া প্ৰথা থাইলেণ্ডত এতিয়াও আছে। আমাৰ ইয়াত যিদৰে হুচৰি গায়, উত্তৰ ব্ৰহ্মৰ টাইবসতি অঞ্চলত খেতিৰ দিনত বৰষুণ হবলৈ পূৰ্বপুৰুষসকলক আহ্বান জনাই চিঞৰি চিঞৰি হুচৰি গায়। হুচৰি শব্দটোৰ ভাষাতাত্ত্বিক দৃষ্টিভঙ্গীৰে চালে টাই-চীন গোষ্ঠীসম্ভূত যেন লাগে।

হু-ছা-ৰি ( হু—চিঞৰি চিঞৰি ; ছা—আশীৰ্বাদ, কুশল ; ৰি—উত্তেজিত, উৰুলীকৃত ) এতেকে হু-ছা-ৰি শব্দৰ অৰ্থ আনন্দত উত্তেজিত হৈ চিঞৰি চিঞৰি কুশল কামনা কৰা। যথাৰ্থতে আমাৰ হুচৰিৰ মূল উদ্দেশ্যও "চেনাই তই কুশলে থাক" বুলি শুভেচ্ছা জনোৱাটোৱেই। হু-ছা-ৰি শব্দ বিকৃত হৈ হুচৰি হোৱাটো ভাষা-বিজ্ঞান মতেও অতি সহজ। তদুপৰি এইদৰে চিঞৰি চিঞৰি নৃত্য-গীতত প্ৰবৃত্ত হোৱাটোৰ লগত যৌন-তাত্বিক সম্পৰ্কও আদিম মানুহে বিচাৰি পাইছিল। প্ৰকৃতিৰ পৰশত বসন্তকালত গাভৰু হোৱা পৃথিৱীৰ ওপৰত নাচি-বাগি আদিম মানুহে পৃথিৱী গৰ্ভৱতী হোৱাটো বাঞ্ছা কৰিছিল। আহাৰৰ প্ৰথম সপ্তাহতে পৃথিৱী ঋতুমতী হয় ; তাৰ পিচত গৰ্ভসম্ভূতা হয় আৰু কাতিৰ পৰশ পাই গৰ্ভৰপৰা সন্তানৰূপে ধানৰ থোকবোৰ গজি ওলায়।

শালি খেতি-প্ৰধান ঠাইবোৰত আহিনত খেতি শেষ হয়। তিনি চাৰি মাহ জোৰা পৰিশ্ৰম আৰু অৱসাদৰ অন্ত পেলাবলৈ অৱকাশ লাগে। এই অৱকাশ পালেই মানুহে হাঁহ-পাৰ মাৰি খাই আনন্দ কৰি দুখ ভাগৰ পাহৰি যায়। গাওঁ অঞ্চলত আজিও খেতিৰ শেষত 'খেতি উঠা ভাত' খোৱাৰ নিয়ম চলি আছে। তদুপৰি 'নাঙল ধোৱা পিঠা' খোৱাও অন্য এটা অনুষ্ঠান। হয়তো এই দুয়োটা ৰীতিয়েই একালত এটা উৎসৱ থকাৰ প্ৰমাণ দিয়ে। খেতি উঠি মিত্তিৰ-কুটুম মাতি হাঁহ-পাৰ মাৰি, মাছ-মঙহ যতনাই পিঠা-পনাৰে সৈতে এসাজ খাইছিল, ইও এক উৎসৱেই আছিল ; কিন্তু কালক্ৰমত সি ক্ষীণ হৈ আহিনৰ সংক্ৰান্তিৰ 'কাতি-বিহু'ত পৰিণত হ'ল। এই বিহুৰ দিনা পথাৰলৈ গৈ গেৰেলি মেলিৰ খোজা সেউজীয়া ধানবোৰ চাই আনন্দ কৰাটো আজিও চলি আছে। মাঘৰ বিহুত সেই খেতিৰ লগত সম্বন্ধ থকা উৎসৱ। আঘোণ-পুহৰ সোণালী পথাৰখনৰ লখিমী শইচবোৰ ভঁৰালত ভৰাই, তাৰে হেঁপাহ পলুৱাই ভোগ কৰোতেই

এই মাঘ-বিহুৰ জন্ম। মেজি আৰু ভোজ ইয়াৰ প্ৰধান অনুষ্ঠান। মেজি পোৰাটো বৈদিক প্ৰথাৰে অগ্নি-হৱন কৰা বুলি কোৱাতকৈ আদিম মানুহৰ পোহৰ আৰু তাপৰ সমলৰূপে জুইৰ কাষত চিঞৰি চিঞৰি আনন্দ কৰা ৰীতিৰ অপভ্ৰংশ বুলি কোৱাই বেছি যুক্তিসঙ্গত যেন লাগে। পুহৰ ঠেটুৰৈ ধৰা জাৰ গুচাবলৈ সেই যুগত প্ৰধান সমল আছিল অগ্নি। একুৰা ডাঙৰ জুই ধৰি তাৰ চাৰিওপিনে মানুহ গোট খাই ভোগ-ভাত খাই আনন্দ কৰিছিল আৰু সিয়েই সময়ত সংস্কাৰ হৈ মেজি আৰু অগ্নি পূজালৈ ৰূপান্তৰিত হ'ল। মাঘৰ বিহুৰ উৰুকাৰ দিনা "মাৰক নোৱাবলৈ নেযাবি, থোপাথোপে লাগিবি' বুলি চিঞৰি চিঞৰি ল'ৰা-ছোৱালীহঁতে লাগনি গছবোৰ খেৰ বা নবাৰে বন্ধাটো খেতিয়ক-সকলৰেই আশা আকাঙ্ক্ষাৰ প্ৰতীক। চ'ত আহে। খেতিৰ প্ৰধান সমল গৰু কেইটাক নোৱাই ধুৱাই, নাচি বাগি পৃথিবীক শস্যশালিনী হবলৈ উত্তেজিত কৰি ৰঙালী বিহু পাতে। খেতি, বিহু আৰু খেতিয়ক এই তিনিওৰে অভিন্ন সম্পৰ্ক বিদ্যমান।

আজিকালি প্ৰায় সমগ্ৰ অসমতে একেদিনতে 'বিহু' উৎসৱ পালন কৰা হয়। কিন্তু আগতে বিভিন্ন গোষ্ঠী বা সম্প্ৰদায়-সমূহৰ সুবিধা বা বতৰ অনুযায়ী বিহু উৎসৱ পালন কৰা হৈছিল। এতিয়াও মাইবঙৰ ওচৰৰ ডিমাছাসকলে, ভৈয়ামত বাস কৰা মিৰিসকলে আমাৰ দৰেই বিহু পাতিলেও তাৰিখটো আমাৰ সৈতে একে নহয়। বোধকৰো অসমত শকাব্দৰ প্ৰচলন হোৱাৰ পৰা এটা নিৰ্দ্ধাৰিত দিনত বিহু পালন কৰাৰ নিয়ম প্ৰচলিত হয়।

আজি প্ৰায় আৰৈকুৰি বছৰমানৰ আগলৈকে অসমৰ গাওঁ অঞ্চলত চ'তৰ বিহু বা ৰাতিবিহু চলি আছিল। ডেকা-গাভৰু কোনো নিৰ্দ্দিষ্ট ঠাইত সমবেত হৈ টকা, পেঁপা, গগনা, ঢোল, তাল লৈ বিহু পাতিছিল আৰু গৰু-বিহুৰ দিনা ৰাতিৰপৰা ঘৰে ঘৰে গৈ হুচৰি গাই আশীৰ্বাদ দি ফুৰিছিল। কিন্তু অসমত

আহোম ৰজাসকলৰ ৰাজত্বৰ সময়েই ই এটা নতুন ৰূপত দেখা দিয়ে। তেতিয়ালৈকে মানুহৰ চোতালে চোতালে গৈ হুচৰি গোৱাৰ নিয়ম নাছিল। হুচৰিদলে আলিবাটেদি ঢোল পেপাঁ বজাই গৈছিল আৰু ঘৰৰ গৃহস্থই পদূলি-মূৰলৈ গৈ মাননি এটা দি সেৱা কৰিছিল আৰু ৰাইজে আশীৰ্বাদ দিছিল। সেই নিয়ম উত্তৰ-ব্ৰহ্ম, দক্ষিণ-চীনৰ অংশ বিশেষ আদিও আজিও চলি আছে। তাৰ পিচত হয়তো সামন্তযুগীয় মনোভাবেৰে কোনোবাই ৰজাৰ ৰাজ-কাৰেঙলৈ গৈ হুচৰি গাই শুভেচ্ছা জনোৱাৰ নিয়ম উলিয়ালে আৰু তাৰ পিচত ই ডা-ডাঙৰীয়া, বা-বিষয়ালৈ নামি গ'ল। যুগৰ পিচত যুগ বাগৰি যাওঁতে ই চোতালে চোতালে হুচৰি গোৱা ৰীতিত পৰিণত হয়।

বিহু অসমীয়া সংস্কৃতিৰ এক উৎকৃষ্ট উপাদান। সংস্কৃতি সদায় গতিশীল। বিহু উৎসৱ যদিও পোনতে কৃষিজীৱী অনাৰ্য্যসকলৰ উৎসৱ হিচাপেই অসমলৈ আহিছিল, সময়ৰ সোঁতত তাত আৰ্য্য সংস্কৃতিৰ প্ৰভাৱো পৰিল। আনকি শ্ৰীশঙ্কৰদেৱৰ পৰবৰ্ত্তী যুগৰ পৰা বিহুৰ আনুষঙ্গিক অংশ হিচাপে নাম-কীৰ্ত্তনো অপৰিহাৰ্য্য হৈ সোমাই পৰিল। দেশত শিক্ষা বিস্তাৰ হোৱাৰ লগে লগে আজিকালি বিহু উৎসৱৰ লগতে বিহু সন্মিলনো সৃষ্টি হৈছে। এইদৰে যুগযুগান্তৰ ধৰি বিহু অসমীয়াৰ স্বকীয়া বৈশিষ্ট্যপূৰ্ণ উৎসৱ হিচাপে চলি আহিছে আৰু চলি থাকিব আৰু ইয়াতে গইনা লৈ অসমীয়া সংস্কৃতিও জিলিকি উঠিব।

# বিহু ঃ লোকাচাৰ

বিহু অসমীয়াৰ জাতীয় জীৱনৰ প্ৰাণৰ উচ্ছ্বাস মিহলি জাতীয় উৎসৱ। বিহুৰ বুকুত বহু যুগৰ বাতৰি সঞ্চিত হৈ আছে। এসময়ত অসমত যেতিয়া বিভিন্ন জনগোষ্ঠীৰ মানুহে সুকীয়া সুকীয়াকৈ বাস কৰিছিল, সেই সময়ত একে বতৰতে হলেও বিভিন্ন দিনতহে বিহু উৎসৱ পালন কৰিছিল, তাৰ চিন স্বৰূপে আজিও দুই এটা জনজাতিয়ে নিজা গণনা অনুসৰি বিহু উৎসৱ পালন কৰে আৰু তাকে কৰোঁতে আমাৰ বিহুতকৈ দুদিনমান অগা-পিছা হয়। এইদৰে দুদিনমান অগা-পিছা হোৱাৰ দৰে বিভিন্ন পৰিবেশ, প্ৰাচুৰ্য্য আৰু আঞ্চলিক প্ৰয়োজনীয়তাৰ দাবীত ঠায়ে ঠায়ে বিহুৰ আনুষঙ্গিক লোকাচাৰসমূহে গঢ় লয়। একে দিনতে বিহু উৎসৱ পালন কৰিলেও কিছুমান সৰু-সুৰা ৰীতি-নীতিৰ ঠাই বিশেষত পাৰ্থক্য দেখা যায়। আমি ইয়াত শিৱসাগৰ অঞ্চলত প্ৰচলিত বিহু সম্পৰ্কীয় লোকাচাৰ কিছুমানৰ বিৱৰণহে সন্নিবিষ্ট কৰিছোঁ।

**কাতি বিহু ঃ** কাতি বিহুত এসময়ত অনেক লোকাচাৰ প্ৰচলিত আছিল বুলি ভাবিবৰ থল আছে। এতিয়া কিন্তু সিয়ে চমু হৈ আহিছে। কোনো কোনো ঠাইত এতিয়াও বিহুৰ দিনা ঘৰ-দুৱাৰ মচে, চাৰি-চকুৱা, কাপোৰ-কানি তিয়ায়, চৰু-হাৰি ধোৱে। দ্বিতীয়তে অমুষ্টুপীয়াকৈ জা-জলপান খায়। আবেলি পথাৰত ধান চাবলৈ যায়। নতুনকৈ তুলসী পুলি ৰোৱে বা পুৰণি তুলসী গছৰ গুৰিৰ ভেটি মছি চাকি দিয়ে। ভঁৰালত চাকি দিয়ে। কোনো কোনো ঠাইত পথাৰৰ গেৰেলি মেলিৰ খোজা ধাননিত আৰু কোনো কোনোৱে আকাশ-বন্তি লগায়।

**মাঘ বিহু :** মাঘ বিহু মূলতে কৃষি উৎসৱ। আদিম জন-সমাজৰ সমূহীয়া জীৱন যাত্ৰাৰ চানেকীৰ চিন এই বিহুত পোৱা যায়। উৰুকাৰ নিশা সমূহীয়া ভোজৰ আয়োজন কৰাটো এটা পুৰণি পৰম্পৰাত পৰিণত হৈছে। উৰুকাৰ দিনা লাগনি গছবোৰ খেৰ বা নৰাৰ জৰীৰে—"মাৰৰ ঘৰলৈ নেযাবি, থোপা-থোপে লাগিবি" বুলি চিঞৰি চিঞৰি বান্ধে। কোনো ঠাইত এইদৰে চিঞৰি চিঞৰি সক ল'ৰাবোৰে গছলৈ দলিয়ায়। মেজি জ্বলোৱাটো মাঘ বিহুৰ অপৰিহাৰ্য্য অনুষ্ঠান। কল-পুলি, তামোল-পুলি, বাঁহৰ-খুটা চাৰিটা পুতি ফলাখৰিৰে মেজি সাজে। বিহুৰ দিনা দোক মোকালিতে এটা গৰখীয়া ল'ৰাই গা-পা ধুই তিতা-তিয়নীৰে এটা তামোল-পাণ দি মেজিত জুই দিয়ে। বাকীবোৰে হৈ-ধ্বনি দিয়ে। মেজি জ্বলি উঠিলে বাকী মানুহে গা-ধুই মেজি পুৱায়। ঘৰৰ ঘাই মানুহজনে মেজি পুৱাওতে তামোল-পাণ এটা দি সেৱা কৰে। মেজি পুৱাই শেষ কৰি মেজিৰ কাষতে নাম-কীৰ্ত্তন কৰে আৰু মাহ প্ৰসাদ বিতৰণ কৰে। মেজি পুৱাই অহাৰ পিছত ঘৰত আটায়ে মিলি জা-জলপান খায়। সৰুৱে ডাঙৰক সেৱা-সৎকাৰ কৰে। বিহুৰ দিনা বা তাৰ পিচদিনা ম'হযুঁজ হয়। কোনো কোনো সম্প্ৰদায়ৰ মাজত কণী-যুঁজো অনুষ্ঠানীয়াকৈ হয়। গধুলি বহুতে ভঁৰালত লখিমী ভৰায় আৰু ভঁৰালত চাকি দিয়ে।

**বহাগ বিহু :** বহাগ বিহু সবাতোকৈ ডাঙৰ উৎসৱ। বহাগ বিহুৰ আনুষঙ্গিক লোকাচাৰ চ'ত মাহৰ পৰাই আৰম্ভ হয়। চ'ত মাহ সোমালেই গৰখীয়াই গৰুৰ পঘালৈ তৰা-ছিৰি আনে। ডেকা ল'ৰাই ৰাতি কড়ি খেলে। ঠায়ে ঠায়ে বিহুৰ আখৰা পাতে। শিপিনীয়ে বিহুত বিহুৱান দিবলৈ শিপিনীয়ে তাঁত লগায়। বিহুৰ আগতে তাঁত বৈ শেষ হৱ লাগিব। বিহু-ছেৰা তাঁতৰ শিপিনীয়ে (গঞ্জনা) গঞ্জনা খায়। বিহুলৈ দহ-বাৰ দিন থকাৰে পৰা ঢেঁকীত

জলপান খুন্দাৰ চুবুৰ্ চুবুৰ্ মাত ওলায়। বিহুৰ ওচৰ চাপি আহিলে বিহুৰ আখৰাৰ ধুম উঠে।

গৰু বিহুৰ দিনা নিচেই পুৱাতে চালনিত এখিলা আগলি কলাপাত পাৰি লাও, বেঙেনা, কেৰেলা, বৰথেকেৰা, কেটকুৰি, হালধি চকল চকলকৈ কুটে। কেঁচা বাঁহৰ কামি কাটি যথাক্ৰমে এক, দুই, তিনি, চাৰি ফেৰেনেঙীয়াকৈ চাক তৈয়াৰ কৰে। চাকত লাও, বেঙেনা আদি বনিয়াই বনিয়াই সী দিয়ে। আনপিনে আৰৈ চাউল, কেঁচা হালধি, মাটি মাহ একেলগে খুন্দি অলপ মিঠাতেল সানি দিয়ে। তাৰে অলপ ৰাখি বাকীখিনিৰে গোহালিৰ গৰুক কোঁট দিয়ে। গোহালিৰ ঘাই গাইজনীৰ পঘাডাল ডিঙিত বান্ধি দি বাকীবোৰ গৰু গোহালিৰ পৰা নৈ, বিল, পুখুৰী আদিৰ কাষলৈ সমূহীয়াকৈ লৈ যায় আৰু তাত গাইজনীৰ পঘাডাল ঠেং-তলেদি সৰকাই পেলায়। বাটত যাওঁতে দীঘলতি পাতেৰে কোবাই গায়—

দীঘলতি দীঘল পাত  
মাখি মাৰোঁ জাত জাত,  
মাৰ সৰু, বাপেৰ সৰু  
তই হবি বৰ বৰ গৰু।

গৰু-গা ধোৱাবলৈ নিয়াৰ আগতে মাখিয়তী (মাখি মৰা) গছৰ ডালেৰে চাল-বেৰ কোৱায়। গৰুৰ চাকৰ লগতো মাখিয়তী-দীঘলতি গছৰ সৰু সৰু ঠাল লৈ যায়। তাৰ পিচত পানী ছটিয়াই গৰুৰ গা ধুৱায়। গৰু গা-ধোৱাওঁতে গায়—

লাও খা, বেঙেনা খা  
বছৰি বছৰি বাঢ়ি যা,  
মাৰ সৰু বাপেৰ সৰু  
তই হবি বৰ বৰ গৰু।

লাও, বেঙেনা, কেৰেলাৰ-চকলবোৰ গৰুৰ গাত দলিয়াই দলিয়াই গৰু-গা ধোওৱা কাম শেষ হয়। তাৰ পিচত মানুহে লগত লৈ যোৱা মাহ-হালধিৰে গা-ধোৱে। পিচত চাকৰ-চালনীখন ঘৰলৈ ঘূৰাই লৈ আহে। আধকৰা চাকবোৰ গোহালিৰ চালৰ বেছাত ভৰাই থয়। বাকী থকা লাও বেঙেনাবোৰ এশ-এবুৰি শাকৰ লগত মিহলাই আঞ্জা খায়।

গৰুৰ গা-ধোৱাই আৰু মানুহেও গা-পা ধুই ঘৰলৈ আহে। জা-জলপান খায়। পুতেক বোৱাৰীয়েকে মাক-বাপেকক সেৱা-সৎকাৰ কৰে। ভাই-বোৱাৰীয়েকেও বৰজনাকক সেৱা কৰে। বায়েক, মাক, আদিয়ে বিহুৱান দিয়ে। জা-জলপান খোৱাৰ পিছত কণী-যুঁজ হয়। বিহুৰ সাতদিনলৈকে কণী-যুঁজ হয়। সাতদিনলৈকে কোনো কোনো সৈয়া কণী নভগাকৈ থাকে। তাকে সাত বিহুৰ সৈয়া কণী বোলে। বিহুৰ দিনা নামঘৰত নাম-কীৰ্ত্তন হয়। সন্ধিয়া চোতালত, পদূলিৰ মূৰত আৰু গোহালিত বুটি সোটা, বুটি বাঢ়নী, পুলি কাঁইট, টিকনি বৰুৱা, কপাহ গুটি, তুহঁ, খেৰ, জাবৰ-জুথৰ দি জাগ দিয়ে। গৰুবোৰক নতুন তৰাপঘা দিয়ে। অন্ততঃ এডাল পঘা বিহুৰদিনা বাটি দিয়াটো বিধেয়। জীয়ৰী ছোৱালীয়ে হাতত জেতুকা লয়। গৰুক পিঠা খুৱায়। দিনৰ সাজ ভাত নেৰান্ধি সন্ধিয়া এশ এবিধ শাকৰ আগ বুটলি খাৰলি ৰান্ধে। দুৱাৰ মুখত বিপদ-বিঘিনি ভেটিবলৈ টিকনি-বৰুৱা, জেটুলি পকা কাঁইট দুৱাৰ মুখত আঁৰে।

মানুহ বিহুৰ দিনা ৰাতিপুৱাই তেল আৰু চৰু-ছাই মিহলাই গৰুৰ কপালত ফোঁট দি মেলি দিয়ে।

হুচৰি বহাগ বিহুৰ এৰাবনোৱৰা অনুষ্ঠান। গৰু বিহুৰ নিশাৰ পৰাই হুচৰি আৰম্ভ হয়। আশীৰ্ব্বাদ দিয়াটোৱেই হুচৰিৰ মূল উদ্দেশ্য, সেইবাবে গৃহস্থৰ চোতালত ভৰি দিয়েই "গৃহস্থৰ কুশলৰ অৰ্থে হৰি বোলা" বা "হৈ ধ্বনি উৎসৱ কৰিয়ে" বুলি